# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date :** 31-01-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ভেনেজুৱেলাৰ ভাৰপ্ৰাপ্ত ৰাষ্ট্ৰপতি ডেলচি ৰ'দ্ৰিগজে বিভিন্ন খণ্ডত দ্বিপাক্ষিক সম্পৰ্ক সুদৃঢ় কৰাৰ বাবে সন্মতি প্ৰকাশ কৰিছে।

২। অসম চৰকাৰে বৰ্তমানলৈকে ১ লাখ ২৬ হাজাৰ হেক্টৰ ভূমি অনুপ্ৰৱেশকাৰীৰ দখলৰ পৰা মুক্ত কৰিছে বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰকাশ কৰিছে।

৩। নতুন দিল্লীত আজি ভাৰত-আৰৱ বিদেশ মন্ত্ৰীসকলৰ দ্বিতীয়খন বৈঠক অনুষ্ঠিত হ'ব।

৪। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে কাইলৈ লোকসভাত ২০২৬-২৭ বৰ্ষৰ কেন্দ্ৰীয় বাজেট দাখিল কৰিব।

**আৰু**

৫। মহিলা প্ৰিমিয়াৰ লীগ ক্ৰিকেটত যোৰা নিশা গুজৰাট জায়েণ্টছে মুম্বাই ইণ্ডিয়ানছক ১১ ৰানত পৰাস্ত কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ভেনেজুৱেলাৰ ভাৰপ্ৰাপ্ত ৰাষ্ট্ৰপতি ডেলচি ৰ'দ্ৰিগজে দুয়োখন দেশৰ মাজৰ বাণিজ্য, বিনিয়োগ, শক্তি, ডিজিটেল প্ৰযুক্তি, স্বাস্থ্য, কৃষি আৰু জনসাধাৰণৰ মাজৰ সম্পৰ্কক ধৰি প্ৰায়বোৰ খণ্ডত দ্বিপাক্ষিক সম্পৰ্ক সুদৃঢ় কৰাৰ বাবে সন্মতি প্ৰকাশ কৰিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ এটা বিবৃতিত প্ৰকাশ কৰা মতে প্ৰধানমন্ত্ৰী মোদী আৰু ভেনেজুৱেলাৰ ভাৰপ্ৰাপ্ত ৰাষ্ট্ৰপতিগৰাকীৰ মাজত কালি টেলিফোনযোগে বাৰ্তালাপ হয়। দুয়োগৰাকী নেতাই পাৰস্পৰিক স্বাৰ্থ সম্বলিত বিভিন্ন আঞ্চলিক আৰু গোলকীয় বিষয়ত মত বিনিময় কৰাৰ লগতে গোলকীয় দক্ষিণৰ বাবে উভয় দেশৰ সহযোগিতাৰ গুৰুত্বত আলোকপাত কৰে।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি সন্ধিয়া গুৱাহাটীৰ অটল বিহাৰী বাজপেয়ী ভৱনত ৰাজ্যিক বিজেপিৰ কৰ্ণধাৰ সমিতি আৰু  নিৰ্বাচনী ব্যৱস্থাপনা সমিতিৰ সৈতে এক গুৰুত্বপূৰ্ণ আলোচনাত মিলিত হয়। আলোচনাত শ্ৰীশ্বাহে সমাগত বিধানসভা নিৰ্বাচন সন্দৰ্ভত  গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়ায়। ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীক দলৰ কাৰ্যালয়লৈ আদৰণি জনায়।

গৃহমন্ত্ৰীগৰাকীয়ে ইয়াৰ পূৰ্বে কালি ডিব্ৰুগড়ত এহেজাৰ ৭১৫ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। গৃহমন্ত্ৰীগৰাকীয়ে অসমত হোৱা জন-গাঁথনি পৰিৱৰ্তনত সকলোকে বাধা আৰোপ কৰিবলৈ আহ্বান জনাই কয়, যে ৰাজ্যৰ বিজেপি চৰকাৰে ইতিমধ্যে ১ লাখ ২৬ হাজাৰ হেক্টৰ ভূমি অনুপ্ৰৱেশকাৰীৰ দখলৰ পৰা মুক্ত কৰিছে। ডিব্ৰুগড়ক ৰাজ্যৰ দ্বিতীয় প্ৰশাসনিক কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ চৰকাৰৰ প্ৰচেষ্টাৰ অংশ হিচাপে শ্ৰীশ্বাহে ২৮৪ কোটি টকা ব্যয়সাপেক্ষে অসম বিধানসভাৰ দ্বিতীয়টো চৌহদ আৰু বিধায়কৰ আৱাসগৃহৰ আধাৰশিলা স্থাপন কৰে। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে

লগতে জিলাখনৰ ক্ৰীড়া খণ্ডত নতুন যুগৰ সূচনাৰে খনিকৰত ২৩৮ কোটি টকা ব্যয় সাপেক্ষে বহুমুখী ক্ৰীড়া প্ৰকল্পৰ প্ৰথম পৰ্যায়ৰ উদ্বোধন কৰে। তেওঁ লগতে ২০৯ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া এই ক্ৰীড়া প্ৰকল্পৰ দ্বিতীয় পৰ্যায়ৰ কামৰ আধাৰশিলা স্থাপন কৰে।

শ্ৰীশ্বাহে এই অনুষ্ঠানতে উত্তৰ-পূৰ্বাঞ্চলত বন্যপ্ৰাণী সংৰক্ষণৰ অভিলাষী পদক্ষেপ হিচাপে ডিব্ৰুগড়ৰ দিনজানত বন্যপ্ৰাণী স্বাস্থ্য আৰু গৱেষণা প্ৰতিষ্ঠানৰ আধাৰশিলা স্থাপন কৰে। তেওঁ লগতে ৰাষ্ট্ৰীয় দুৰ্যোগ প্ৰশমন পুঁজিৰ সহায়ত ৬৯২ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা অসমৰ জলাশয়সমূহৰ পুনৰ উদ্ধাৰ আৰু পুনৰুজ্জীৱিতকৰণ প্ৰকল্প মুকলি কৰে। শ্ৰীশ্বাহে কয়, যে কেন্দ্ৰীয় চৰকাৰে যোৱাটো বিধানসভা নিৰ্বাচনৰ পূৰ্বে অসমক বানমুক্ত কৰাৰ বাবে দিয়া প্ৰতিশ্ৰুতি অনুসৰি এই প্ৰকল্প আৰম্ভ কৰিছে। ইয়াৰ ফলত কৃষকসকল যথেষ্ট উপকৃত হ'ব বুলি তেওঁ উল্লেখ কৰে। গৃহমন্ত্ৰীগৰাকীয়ে কালি ধেমাজিৰ কাৰেং চাপৰিত অনুষ্ঠিত মিচিং যুৱ মহোৎসৱৰ সামৰণি অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে।

০০০০০

নতুন দিল্লীত আজি ভাৰত-আৰৱ বিদেশ মন্ত্ৰীসকলৰ দ্বিতীয়খন বৈঠক অনুষ্ঠিত হ'ব। ভাৰত আৰু সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰই এই বৈঠকত সহ-অধ্যক্ষতা কৰিব। বৈঠকত আৰৱ লীগ সদস্য-ৰাষ্ট্ৰৰ বিদেশ মন্ত্ৰীসকল আৰু আৰৱ লীগৰ সচিবপ্ৰধানে অংশ ল'ব। ভাৰতে প্ৰথমবাৰৰ বাবে এই বৈঠকৰ আয়োজন কৰিছে। বৈঠকত ২২ খন আৰৱ ৰাষ্ট্ৰই অংশগ্ৰহণ কৰিব। বিদেশমন্ত্ৰীসকলৰ বৈঠকৰ পূৰ্বে কালি নতুন দিল্লীত ভাৰত-আৰৱ শীৰ্ষ বিষয়াসকলৰ চতুৰ্থখন বৈঠক অনুষ্ঠিত হয়। প্ৰায় ১০ বছৰৰ মূৰত অনুষ্ঠিত হোৱা বিদেশ মন্ত্ৰীসকলৰ প্ৰথমখন বৈঠক ২০১৬ চনত বাহৰেইনত অনুষ্ঠিত হৈছিল। প্ৰথমখন বৈঠকত অৰ্থনীতি, শক্তি, শিক্ষা, সংবাদ মাধ্যম আৰু সংস্কৃতিক অগ্ৰাধিকাৰৰ বিষয় হিচাপে চিনাক্ত কৰা হৈছিল। এইবাৰৰ বৈঠকত সম্প্ৰতি বিদ্যমান সহযোগিতা তথা সহযোগিতাৰ প্ৰসাৰ আৰু সুদৃঢ়কৰণত গুৰুত্ব আৰোপ কৰা হ'ব।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে কালি নতুন দিল্লীত কেইবাখনো আৰৱ লীগ সদস্য ৰাষ্ট্ৰৰ বিদেশ মন্ত্ৰীসকলৰ সৈতে আলোচনাত মিলিত হয়। এই আলোচনাত বিশেষকৈ দ্বিপাক্ষিক সম্পৰ্ক আৰু পশ্চিম এছিয়াৰ পৰিস্থিতিৰ বিষয়ত গুৰুত্ব দিয়া হয়। ড০ জয়শংকৰে কম'ৰ'ছ, লিবিয়া, ছুমালিয়া আৰু পেলেষ্টাইনৰ বিদেশ মন্ত্ৰীসকলৰ সৈতে বৈঠকত মিলিত হয়। তেওঁ লগতে আৰৱ লীগৰ সচিবপ্ৰধান আহমেদ আবুল ঘেইতৰ সৈতেও আলোচনাত মিলিত হয়। এই আলোচনা সন্দৰ্ভত ড০ জয়শংকৰে সামাজিক মাধ্যমৰ এটা বাৰ্তাত কয়, যে আবুল ঘেইতৰ সৈতে তেওঁ বিভিন্ন খণ্ডত সহযোগিতা শক্তিশালী কৰাৰ বিষয়ত আলোচনা কৰাৰ লগতে এই খণ্ডৰ শেহতীয়া বিকাশ সন্দৰ্ভত মত-বিনিময় কৰে। ছুমালিয়াৰ বিদেশ মন্ত্ৰী আব্দিছালাম আলীৰ সৈতে হোৱা বৈঠক ফলপ্ৰসূ আছিল বুলি উল্লেখ কৰি ড০ জয়শংকৰে কয়, যে তেওঁলোকে দ্বিপাক্ষিক বাণিজ্যৰ প্ৰসাৰ, শিক্ষা, স্বাস্থ্য, বহুপাক্ষিক সহযোগিতা আদি বিষয়ত মত বিনিময় কৰে। ছুডানৰ বিদেশমন্ত্ৰী ছলিম আহমেদ ইব্ৰাহিমৰ সৈতে হোৱা আলোচনাত ড০ জয়শংকৰে দেশখনত সংঘৰ্ষৰ সমাপ্তি তথা পুনৰ আলোচনালৈ ঘূৰি যোৱাৰ ক্ষেত্ৰত ভাৰতৰ স্থিতিৰ কথা দোহাৰে। পেলেষ্টাইনৰ বিদেশ মন্ত্ৰী ভাৰ্ছেন আঘাবেকিয়ান শ্বাহিনৰ সৈতে হোৱা আলোচনাত ভাৰত আৰু পেলেষ্টাইনৰ মাজৰ সহযোগিতাৰ পৰ্যালোচনা কৰা হয়। দুয়োগৰাকী নেতাই গাজা শান্তি চুক্তি আৰু আঞ্চলিক বিকাশ সন্দৰ্ভত তেওঁ নিজৰ মত ব্যক্ত কৰে।

০০০০০

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে কাইলৈ লোকসভাত ২০২৬-২৭ বৰ্ষৰ কেন্দ্ৰীয় বাজেট দাখিল কৰিব। নিম্ন সদনত এই বাজেট দাখিল কৰাৰ পাছত বাজেটৰ প্ৰতিলিপি ৰাজ্যসভাত দাখিল কৰা হ'ব। ২০১৯ চনত বিত্তমন্ত্ৰীৰ দায়িত্বভাৰ গ্ৰহণৰ পাছৰ পৰা এয়া হ'ব শ্ৰীমতী সীতাৰমণৰ নৱমবাৰৰ বাবে বাজেট দাখিল। নৰেন্দ্ৰ মোদী চৰকাৰৰো এইখন হ'ব তৃতীয়খন বাজেট। সংসদত ৰাষ্ট্ৰপতিৰ বাজেট ভাষণৰ পাছত সংশ্লিষ্ট মোবাইল এপ আৰু ৱেবছাইটত বাজেটৰ সকলোবোৰ তথ্য উপলব্ধ হ'ব। কেন্দ্ৰীয় বাজেট দাখিলৰ পাছত শ্ৰীমতী সীতাৰমণে দেশৰ বিভিন্ন প্ৰান্তৰ প্ৰায় ৩০ গৰাকী মহাবিদ্যালয়ৰ শিক্ষাৰ্থীৰ সৈতে মত বিনিময় কৰিব।

উল্লেখযোগ্য যে বাজেট প্ৰস্তুতৰ পূৰ্বে কেন্দ্ৰীয় বিত্তমন্ত্ৰীগৰাকীয়ে অৰ্থনীতিবিদ, ট্ৰেড ইউনিয়ন, শিক্ষা আৰু স্বাস্থ্য খণ্ড, বাণিজ্য আৰু সেৱা, উদ্যোগ, বিত্তীয় খণ্ড, মূলধনী বজাৰ, অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ খণ্ডৰ বিশেষজ্ঞ আৰু প্ৰতিনিধিকে ধৰি বিভিন্ন অংশীদাৰসকলৰ সৈতে প্ৰাক বাজেট পৰামৰ্শমূলক বৈঠকত মিলিত হয়। বাজেট প্ৰস্তুতৰ সময়ছোৱাত বিভিন্ন মঞ্চৰ জৰিয়তে যুৱক-যুৱতী তথা নাগৰিকসকলৰ পৰা পৰামৰ্শ লোৱা হয় যিসমূহ ২০২৬-২৭ বৰ্ষৰ কেন্দ্ৰীয় বাজেটত প্ৰতিফলিত হ'ব।

০০০০০

পশ্চিম বংগত ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ পুনৰীক্ষণ প্ৰক্ৰিয়াৰ সময়ত নিৰ্বাচন আয়োগে নিৰ্ধাৰিত কৰি দিয়া তথ্যৰ বাহিৰে আন তথ্য দাখিল কৰা ভোটদাতাৰ নাম চূড়ান্ত তালিকাৰ পৰা কৰ্তন কৰা হ'ব। আয়োগে লগতে এনে ধৰণৰ তথ্য গ্ৰহণ কৰা আৰু অনলাইন আপলোড কৰা নিৰ্বাচনী বিষয়াসকলৰো এখন পৃথক তালিকা প্ৰস্তুত কৰি উলিয়াইছে। আয়োগৰ সূত্ৰই প্ৰকাশ কৰা মতে এই বিষয়াসকলৰ বিৰুদ্ধে কৰ্তব্যত গাফিলতি কৰাৰ প্ৰমাণ পোৱা গ'লে তেওঁলোকৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব। উল্লেখযোগ্য যে নিৰ্বাচন আয়োগে প্ৰকাশ কৰা তালিকাত ভালেসংখ্যক ভোটদাতাই প্ৰয়োজনীয় তথ্যৰ পৰিৱৰ্তে পৃথক তথ্য দাখিল কৰাৰ বাবে তেওঁলোকক শুনানিৰ বাবে তলব কৰা হৈছে। ইতিমধ্যে এনে ভোটদাতাৰ সংখ্যা কেইবালাখো অতিক্ৰম কৰিছে।

০০০০০

মহিলা প্ৰিমিয়াৰ লীগ ক্ৰিকেটত যোৱা নিশা গুজৰাট জায়েন্টছে মুম্বাই ইণ্ডিয়ানছক ১১ ৰানত পৰাস্ত কৰে। গুজৰাটৰ বদোদৰাত অনুষ্ঠিত খেলখনত টছত জিকি প্ৰথমে বেটিং কৰিবলৈ নমা গুজৰাটে নিৰ্ধাৰিত ২০ অভাৰত ৪টা উইকেট হেৰুৱাই ১৬৭ ৰান সংগ্ৰহ কৰে। অধিনায়ক এশ্বলী গাৰ্ডনাৰে ২৮টা বলত ৪৬ আৰু জৰ্জিয়া ৱেৰহামে ২৬ বলত ৪৪ ৰান কৰি আউট নোহোৱাকৈ ৰয়। মুম্বাই ইণ্ডিয়ানছৰ হৈ এ্যমেলিয়া কেৰে দুটা উইকেট দখল কৰে।

প্ৰত্যুত্তৰত মুম্বাই ইণ্ডিয়ানছে বহু যুঁজ দিও নিৰ্ধাৰিত অ'ভাৰত ৭টা উইকেট হেৰুৱাই ১৫৬ ৰানতে থমকি ৰ'বলগীয়া হয়। অধিনায়ক হৰমনপ্ৰীত কৌৰে ৪৮টা বলত ৮২ ৰান কৰি আউট নোহোৱাকৈ থাকে। গুজৰাট জায়েন্টছৰ হৈ ছ'ফী ডিভাইন আৰু জৰ্জিয়াই দুটাকৈ উইকেট দখল কৰে। জৰ্জিয়াক খেলখনৰ শ্ৰেষ্ঠ খেলুৱৈ হিচাপে নিৰ্বাচিত কৰা হয়।

আজি একেটা স্থানতে দেলহী কেপিটেলছ - ইউ পি ৱাৰিয়ৰ্জৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া ৭.৩০ বজাত আৰম্ভ হ'ব।

০০০০০

ভাৰতৰ দেৱিকা ছিহাগে বেংককত অনুষ্ঠিত থাইলেণ্ড মাষ্টাৰ্ছ ছুপাৰ থ্ৰী হাণ্ড্ৰেড বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। দেৱিকাই থাইলেণ্ডৰ শীৰ্ষস্থানৰ খেলুৱৈ

চুপানিদা কাতেথঙক ২১-১৯, ২১-১৮ গেমত পৰাস্ত কৰে। বিগত বৰ্ষত মালয়েছিয়া ইণ্টাৰনেচনেল প্ৰতিযোগিতাত বি ডব্লিউ এফ ইণ্টাৰনেচনেল চেলেঞ্জৰ খিতাপ দখল কৰা দেৰিকাই আজি ছেমি ফাইনেলত চীনা টাইপেইৰ হুৱাং য়ু চুনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। প্ৰতিযোগিতাৰ আন এখন মহিলাৰ ছিংগলছৰ কোৱাৰ্টাৰ ফাইনেলত ঈষাৰণী বৰুৱা মালয়েছিয়াৰ প্ৰতিদ্বন্দ্বীৰ হাতত পৰাস্ত হয়।

ooooo

সমাপ্ত